# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-07-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - - - - - - - -

১। রাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুৰ্মুৰ উভয় সদনত দিয়া ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱ সন্দৰ্ভত ৰাজ্যসভাত হোৱা আলোচনাত ভাৰতীয় সংবিধানখন কেইটামান অনুচ্ছেদৰৰ সমষ্টি নহয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। অসমত আৰম্ভ হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলত বৃহৎ নিয়োগৰ সৃষ্টি কৰিব বুলি প্ৰধানমন্ত্ৰীৰ আশা প্ৰকাশ।

৩। ৰাজ্যৰ ২৮ খন জিলাৰ ২ হাজাৰৰো অধিক গাঁও প্লাৱিত। ১১ লাখ ৩৪ হাজাৰৰো অধিক বানত ক্ষতিগ্ৰস্ত। চলিত বৰ্ষত বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৯ লৈ বৃদ্ধি।

৪। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কামৰূপ জিলাৰ বিভিন্ন ঠাইৰ বান পৰিস্থিতিৰ পৰ্যবেক্ষণ। মন্ত্ৰী পীযূষ হাজৰিকাৰ মাজুলীৰ বান পৰিস্থিতি পৰিদৰ্শন।

**আৰু**

৫। কেন্দ্ৰীয় চৰকাৰৰ ১ জুলাইৰ পৰা আৰম্ভ কৰা সম্পূৰ্ণতা অভিযান অসমত কাইলৈ আৰম্ভ।

০০০০০

ভাৰতীয় সংবিধানখন কেইটামান অনুচ্ছেদৰ সমষ্টি নহয়, বৰং ইয়াৰ প্ৰমূল্য আৰু শব্দসমূহে চৰকাৰৰ বাবে অতিশয় মূল্য বহন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত ৰাজ্যসভাত হোৱা আলোচনাৰ উত্তৰত এইকথা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে চৰকাৰখনক পথ নিৰ্দেশনা প্ৰদান কৰিব পৰাকৈ সংবিধানখনক এটা আলোকগৃহ বুলিও অভিহিত কৰে।

বাবা চাহেব ভীমৰাও আম্বেদকাৰৰ অৱদানসমূহৰ শলাগ লৈ তেওঁ কয় যে, দেশৰ সংবিধানে সম্প্ৰতি ৭৫ বছৰ পূৰ কৰাৰ দিশে অগ্ৰসৰ হৈছে। নিজৰ বক্তব্যত শ্ৰীমোদীয়ে সম্প্ৰতি জনসাধাৰণৰ বাবে উৎসৱত পৰিণত হোৱা সংবিধান দিৱস উদযাপনৰ বিৰোধিতা কৰা সকলৰ সমালোচনা কৰে। তেওঁ কয় যে এন ডি এ চৰকাৰে তৃতীয় কাৰ্যকালত দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াটো প্ৰধান লক্ষ্য হিচাপে স্থিৰ কৰিছে। এই লক্ষ্য পূৰণৰ দিশত চৰকাৰে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণত চৰকাৰে অগ্ৰাধিকাৰ দিব বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে তৃতীয়টো কাৰ্যকালত দেশক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনীতি হিচাপে গঢ়ি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। দেশৰ জনসাধাৰণে পৰৱৰ্তী পাঁচটা বছৰত ৰাজহুৱা পৰিবহণ ব্যৱস্থাত সুদূৰ প্ৰসাৰী পৰিৱৰ্তন লক্ষ্য কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান যোজনাৰ অধীনত ১০ কোটিতকৈ অধিক কৃষক উপকৃত হৈছে আৰু বিগত ছটা বছৰৰ ভিতৰত

কৃষকসকলৰ মাজত ৩ লাখ কোটি টকাতকৈ অধিক অনুদান বিতৰণ কৰা হৈছে। কোৱিড মহামাৰীয়ে সৃষ্টি কৰা প্ৰত্যাহ্বানৰ পাছতো ভাৰতীয় অৰ্থনীতি বিশ্বৰ পঞ্চম স্থানত উপনীত হ'বলৈ সমৰ্থ হৈছে বুলি তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে আজি অসমত আৰম্ভ হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ বিষয়ে সদনত উল্লেখ কৰে। তেওঁ কয় যে ইয়াৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলত বৃহৎ সংখ্যক নিয়োগৰ সৃষ্টি হ'ব। এই অভিলাষী প্ৰকল্পৰ ৰূপায়ণৰ ফলত ৰাজ্য উন্নত প্ৰযুক্তিৰ দিশত উৎপাদন অনুকূল তন্ত্ৰ গঢ় লৈ উঠিব বুলিও প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে মণিপুৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে শান্তি আৰু সম্প্ৰীতি ৰক্ষাৰ বাবে চেষ্টা চলাই আছে বুলি উল্লেখ কৰি বৰ্তমান ৰাজ্যখনত পৰিস্থিতি সুচল হৈছে বুলি উল্লেখ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় গৃহ মন্ত্ৰী আৰু গৃহ ৰাজ্য মন্ত্ৰীয়ে ৰাজ্যখন ভ্ৰমণ কৰি সকলো পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বিহিত ব্যৱস্থা লোৱা হৈছে।

আনহাতে প্ৰধানমন্ত্ৰীয়ে বক্তব্য প্ৰকাশ কৰা সময়ত কংগ্ৰেছ, ডি এম কে, টি এম চি, আম আদমী পাৰ্টি আৰু আন বিৰোধী দলৰ সদস্যসকল সদনৰ মজিয়ালৈ উঠি আহি হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰাত সভাপতি জগদীপ ধনখড়ে তেঁওলোকক নিজ নিজ আসনলৈ উভতি যাবলৈ আহ্বান জনায়। ইয়াৰ পাছত বিৰোধী সাংসদসকলে সদন ত্যাগ কৰে। বিৰোধীৰ সদন ত্যাগৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীয়ে, তেওঁলোকৰ নিজে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ শুনিবলৈ সাহস নাই বুলি মত প্ৰকাশ কৰি এই কাৰ্যক তেওঁ উচ্চ সদনৰ প্ৰতি অৱজ্ঞা বুলি অভিহিত কৰে।

আনহাতে ৰাজ্যসভাৰ সভাপতিগৰাকীয়েও বিৰোধী পক্ষই সদন ত্যাগ কৰা কাৰ্যক লৈ অসন্তুষ্টি ব্যক্ত কৰে।

ইয়াৰ পূৰ্বে আজি পুৱা সদন মিলিত হোৱাৰ সময়ত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱক লৈ আলোচনা আৰম্ভ হোৱাৰ পাছতেই ইউ পি পি এল দলৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীয়ে এক্ট ইষ্ট পলিচিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে, চৰকাৰৰ এই নীতিয়ে উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি কঢ়িয়াই আনিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনে ব্যাপক হাৰত উন্নয়নৰ মুখ দেখিছে বুলিও তেওঁ লগতে মত প্ৰকাশ কৰে।

সদনত আজি উত্তৰ প্ৰদেশৰ হাথৰছত কালি পদপিষ্ট হৈ প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

ইপিনে, ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা আজি অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা বুলি সভাপতি জগদীপ ধনখড়ে ঘোষণা কৰে।

এতিয়া আমি সম্প্ৰতি নতুন দিল্লীত থকা আকাশবাণীৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাৰ সৈতে কথা পাতিম।

ঃ লোকসভাৰ কাৰ্যক্ৰমণিকা কালি অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখাৰ পাছত আজি ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকাও অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হয়। আজি প্ৰধানমন্ত্ৰীয়ে উচ্চ সদনত দিয়া ভাষণত উত্তৰ-পূবৰ কেইবাটাও বিষয় উল্লেখ কৰে। এই বিষয়ে আপুনি কি ক'ব ?

ভইচ

ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা সম্পৰ্কে আমাৰ শ্ৰোতাসকলক সবিশেষ জনালে। ধন্যবাদ।

০০০০০

অসমত বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষই জাৰি কৰা তথ্য অনুসৰি ৰাজ্যৰ মুঠ ২৮ খন জিলা বানৰ কবলত পৰিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জাৰি কৰা তথ্য অনুসৰি এই জিলাসমূহৰ মুঠ দুহেজাৰ ২০৮ খন গাঁৱৰ ১১ লাখ ৩৪ হাজাৰৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি বানৰ ফলত ৰাজ্যৰ ৪২ হাজাৰ ৪৭৬ হেক্টৰ কৃষি ভূমি পানীত বুৰ গৈছে। চৰকাৰ আৰু প্ৰশাসনে স্থাপন কৰা ১৩০টা সাহায্য শিবিৰত ১৮ হাজাৰ ৪৫৯ জন লোকে আশ্ৰয় গ্ৰহণ কৰিছে। চৰকাৰী তথ্য অনুসৰি চলিত বৰ্ষৰ বানত ৩৯ জন লোকৰ মৃত্যু হৈছে। আজি মৰিগাঁৱত এজন লোকৰ বানত মৃত্যু হয়।

ইপিনে, অসমৰ বান পৰিস্থিতি অত্যন্ত জটিল যদিও প্ৰশাসনে এই পৰিস্থিতিত জনসাধাৰণক সকাহ দিয়াৰ বাবে সকলো প্ৰচেষ্টা লৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ অতি কম সময়ৰ ভিতৰতে জনসাধাৰণ বানৰ সমস্যাৰ পৰা মুক্ত হ'ব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কামৰূপৰ গড়ল ভট্টাপাৰা আৰু ৰাণীচাপৰিৰ জনসাধাৰণৰ ওচৰলৈ গৈ বান পৰিস্থিতিৰ ফলত তেওঁলোকে সন্মুখীন হোৱা সমস্যাৰ বুজ লয়। তেওঁ ৰাইজক প্ৰশাসনৰ তৰফৰ পৰা সকলো সাহায্য আগবঢ়োৱা হ'ব বুলি আশ্বাস দিয়ে। কলিয়াবৰ মহকুমাৰ অন্তৰ্গত জখলাবন্ধাৰ সমীপৰ হাতীমূৰাৰ মথাউৰিটো কালি ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে ছিঙি নিয়াৰ পাছত উদ্ভৱ হোৱা বান পৰিস্থিতি তদাৰক কৰাৰ বাবে মন্ত্ৰী কেশৱ মহন্ত কলিয়াবৰত বাহৰ পাতি আছে। মন্ত্ৰীগৰাকীয়ে স্থানীয় প্ৰশাসনৰ জৰিয়তে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সাহায্য আৰু বানৰ কবলত পৰাসকলক উদ্ধাৰ অভিযান ক্ষিপ্ৰ কৰি তুলিবলৈ মহকুমা প্ৰশাসনক নিৰ্দেশনা জাৰি কৰিছে। গোলাঘাট জিলাৰ বান ক্ষতিগ্ৰস্ত বিভিন্ন স্থানত প্ৰশাসনে চিকিৎসা, সাহায্য আৰু পুনৰুদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে। জিলাখনত বানৰ সমান্তৰালকৈ খহনীয়াৰ ফলত জনসাধাৰণ ক্ষতিৰ সন্মুখীন হৈছে। গোলাঘাট জিলাৰ ধনশিৰিপাৰ শালমিৰা গাঁৱৰ দহটা পৰিয়াল খহনীয়াত ক্ষতিগ্ৰস্ত হোৱাৰ লগতে তিনিটা পৰিয়ালৰ বাসগৃহ বাঢ়নী পানীয়ে বুৰাই পেলাইছে। মৰিগাঁও জিলাত ব্ৰহ্মপুত্ৰৰ বানে জিলাখনৰ মায়ং লাহৰিঘাট আৰু ভূৰাগাঁও ৰাজহচক্ৰৰ প্ৰায় ১৬০ খন গাঁও বুৰাই পেলোৱাত পৰিস্থিতি জটিল হৈ পৰিছে। জিলা প্ৰশাসনৰ সূত্ৰ অনুসৰি জিলাখনৰ কমেও ২ লাখ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। পবিতৰা অভয়াৰণ্যৰ প্ৰায়ভাগ অঞ্চল সম্পূৰ্ণৰূপে বানত বুৰ গৈছে। বন্যপ্ৰাণীসমূহে ওখ ঠাইত আশ্ৰয় ল'বলগীয়া হৈছে।

ইপিনে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ বিস্তীৰ্ণ এলেকা জলমগ্ন হৈ আছে। উদ্যানখনত বানৰ ফলত এটা গঁড়ৰ পোৱালিকে ধৰি চাৰিটা বন্যজন্তুৰ মৃত্যু হৈছে। শেহতীয়া তথ্য অনুসৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ ২২৩ টা বন শিবিৰৰ ভিতৰত ১৬৫ টা বন শিবিৰ এলেকা প্লাৱিত হৈছে। পাণবাৰী, হালধিবাৰী, কাঞ্চনজুৰি আদি কৰিডৰৰ লগতে ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া বহু এলেকাৰে বন্যপ্ৰাণীসমূহ কাৰ্বি পাহাৰৰ দিশে ঢাপলি মেলিছে। আনহাতে, একাংশ বন্য জন্তুৱে ওখ স্থানসমূহত আশ্ৰয় লৈছে। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি কাৰ্বি পাহাৰলৈ গতি কৰা বন্য জন্তুসমূহ যাতে যান-বাহনৰ খুন্দাত হতাহত নহয়, তাৰবাবে বন আৰক্ষী আৰু পৰিবহণ বিভাগ সষ্টম হৈ আছে। জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি মাজুলী ভ্ৰমণ কৰি ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে ছিঙি নিয়া আউনীআটি সত্ৰৰ সমীপৰ যুগুনিধাৰী মথাউৰিৰ স্থান পৰিদৰ্শন কৰাৰ লগতে স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। কাইলৈৰ পৰা এই মথাউৰি মেৰামতিৰ কাম আৰম্ভ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। তদুপৰি মাজুলীৰ লুইত খাবলুত ১২-ৰ পৰা ১৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। তদুপৰি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়াৰ সৈতে আলোচনা কৰি মন্ত্ৰীগৰাকীয়ে স্থানীয় ৰাইজক বানত ক্ষতি হোৱা বাসগৃহৰ বাবে কাইলৈৰ ভিতৰত চৰকাৰী সাহায্য দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

যোৰহাট জিলাৰ বিভিন্ন অঞ্চল বানত ক্ষতিগ্ৰস্ত হৈছে। আজি পশ্চিম যোৰহাটৰ চক্ৰ বিষয়াই এছ ডি আৰ এফ দলৰ সৈতে বামুণীবিল, আমগুৰিৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে আৰু পৰিস্থিতিৰ বুজ লয়। একেদৰে তিনিচুকীয়া জিলাৰ আয়ুক্তই আজি ডিৰাক গাঁও পঞ্চায়তৰ অন্তৰ্গত চোমনি গাঁও পৰিদৰ্শন কৰি বানে কৰা ক্ষয়-ক্ষতিৰ বুজ লয়। তেওঁ লগতে নদিহিং নৈৰ মথাউৰি পৰিদৰ্শন কৰে। ডিব্ৰুগড় জিলাৰ বান ক্ষতিগ্ৰস্ত বিভিন্ন স্থানত জনস্বাস্থ্য কাৰিকৰী বিভাগে ক্ষতিগ্ৰস্ত ৰাইজক বিশুদ্ধ খোৱাপানীৰ যোগান ধৰাৰ লগতে পানী বিশুদ্ধকৰণৰ বাবে হেলোজেন টেবলেট বিতৰণ কৰিছে।

কৰিমগঞ্জ জিলাৰ বদৰপুৰৰ কান্দিগ্ৰাম অঞ্চলৰ মথাউৰি বৰাক নৈৰ বাঢ়নী পানীয়ে প্লাৱিত কৰাৰ ফলত জগন্নাথপুৰ, কান্দিগ্ৰামকে ধৰি বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈছে।

বৰপেটা জিলাত ব্ৰহ্মপুত্ৰৰ লগতে কেইবাখনো নৈৰ জলস্তৰ বৃদ্ধি পাইছে। বৰপেটা জলসম্পদ সংমণ্ডলৰ শেহতীয়া তথ্য অনুসৰি জিলাখনত ব্ৰহ্মপুত্ৰ, নখান্দা, মৰা চাউলখোৱা, ভেলেঙী, কালদিয়া আৰু পহুমাৰা নৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে জিলাখনৰ দক্ষিণ প্ৰান্তৰ ঐতিহাসিক ডক্ৰেশ্বৰ, বাৰাদিকে ধৰি কেইবাখনো গাঁৱলৈ শংকা নমাই আনিছে। ডক্ৰেশ্বৰ দেৱালয়ৰ সমীপত নৱ-নিৰ্মিত মথাউৰিটোৰ তলেৰে ব্ৰহ্মপুত্ৰ পানী নিগৰিবলৈ ধৰাৰ ফলত দেৱালয়খনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হোৱাৰ  লগতে কাষৰীয়া ৰাইজৰ মাজত আশংকাই দেখা দিছে। ইফালে, গোৱালপাৰা জিলাত বানে জটিল ৰূপ লৈছে। জিলাখনত ব্ৰহ্মপুত্ৰৰ পানী বৃদ্ধি পোৱাত জলেশ্বৰ সমষ্টিৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। গোৱালপাৰা চহৰৰ ১২ নম্বৰ ৱাৰ্ডৰ নতুন বস্তিত আৰু বলদমাৰীত কেইবাটাও  বাসগৃহ পানীত বুৰ গৈছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰ বিপজ্জনকভাৱে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজৰ যাত্ৰীবাহী ফেৰী সেৱা অনিৰ্দিষ্ট কালৰ বাবে বাতিল কৰিছে।

উল্লেখযোগ্য যে অসমৰ উপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ তথা অন্যান্য নৈ-উপনৈসমূহ ওফন্দি ঠায়ে ঠায়ে মথাউৰি ছিগি বিভিন্ন অঞ্চল বুৰাই পেলাইছে। দুলীয়াজান সমষ্টিৰ টেঙাখাট হাতীবন্ধা ঘুমতলত বুঢ়ীদিহিং নৈৰ কাষতে থকা মথাউৰিটো কালি প্ৰায় ৫০ মিটাৰ অংশ ছিঙি যোৱাৰ ফলত দাঁতি কাষৰীয়া বিভিন্ন অঞ্চল বানত বুৰ যায়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ১ জুলাইৰ পৰা আৰম্ভ কৰা **সম্পূৰ্ণতা অভিযান** অসমত কাইলৈ আৰম্ভ হ'ব। অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ দ্ৰুত, সৰ্বাত্মক বিকাশৰ লক্ষ্যৰে ৰাজ্যৰ কেইবাখনো জিলাত কাইলৈৰপৰা এই অভিযান ৰূপায়ণ কৰা হ'ব। বৰ্তমানে উন্নয়নৰ সুফল নোপোৱা দেশৰ ভিন্ন প্ৰান্তৰ অঞ্চলসমূহ সামৰি কেন্দ্ৰীয় চৰকাৰে অঞ্চলসমূহৰ দ্ৰুত উন্নয়নৰ বাবে **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰিছে। অভিলাষী জিলা আৰু উন্নয়ন খণ্ডৰ অংশ হিচাপে কেন্দ্ৰীয় চৰকাৰে ১ জুলাইত আৰম্ভ কৰা এই অভিযান ৩০ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। নীতি আয়োগে আৰম্ভ কৰা এই অভিযানে নিৰ্বাচিত জিলা আৰু উন্নয়ন খণ্ডৰ নিৰ্দিষ্ট সূচাংক পৰ্যন্ত উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব দিব। এই আঁচনিৰ জৰিয়তে চলি থকা আঁচনিসমূহৰ কাৰ্যসূচীৰ ক্ষেত্ৰত অবিৰত পৰ্যবেক্ষণেৰে ফলাফলৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব। **সম্পূৰ্ণতা অভিযানে** অভিলাষী জিলা আৰু অভিলাষী খণ্ডৰ উন্নয়নেৰে দেশৰ অন্য প্ৰান্তৰ উন্নয়নৰ সৈতে ব্যৱধান আঁতৰোৱাৰ লগতে চকুত লগাকৈ সলনি কৰাৰ লক্ষ্য লোৱা হৈছে।

উল্লেখযোগ্য যে ২০১৮ চনত দেশৰ সৰ্বাধিক উন্নয়নৰ সুফল নোপোৱা ১১২ খন জিলা সামৰি অভিলাষী জিলা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। একেদৰে ২০২৩ চনত উন্নয়নৰ হাৰ সন্তোষজনক নোহোৱা ৫০০টা উন্নয়ন খণ্ড সামৰি অভিলাষী খণ্ড কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। অভিলাষী জিলা কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বিত্তীয় চামিলকৰণ, দক্ষতা বিকাশ আৰু আন্তঃগাঁথনিক সামৰি লৈছে। একেদৰে অভিলাষী খণ্ড কাৰ্যসূচীয়ে সামৰি লোৱা মূল পাঁচটা সূচাংক হ'ল- স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু কৃষি সম্বন্ধীয় অন্যান্য সেৱা প্ৰাথমিক স্তৰৰ আন্তঃগাঁথনি আৰু সামাজিক উন্নয়ন।

আনহাতে **সম্পূৰ্ণতা অভিযানে** মূলত ছটা সূচাংকৰ ওপৰত গুৰুত্ব দি ক্ষিপ্ৰতাৰে আটাইকেইটা দিশতে আঁচনিখনে সামৰি লোৱা জিলা তথা উন্নয়ন খণ্ডক এটা পৰ্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত গুৰুত্ব দিছে। অভিলাষী উন্নয়ন খণ্ডৰ ক্ষেত্ৰত এই সংকল্প অভিযানে সাঙুৰি লোৱাৰ ক্ষেত্ৰত সূচাংকসমূহ হ'ল- শতকৰা হাৰত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, শতকৰা হাৰত সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগানৰ সংখ্যা, শতকৰা হিচাপত চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ।

আনহাতে অভিলাষী জিলা কাৰ্যসূচীৰ ক্ষেত্ৰত সংকল্প অভিযানে সাঙুৰি লোৱাৰ ক্ষেত্ৰত বাছনি সূচাংকসমূহ হ'ল– শতকৰা হাৰত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, শতকৰা হাৰত সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগানৰ সংখ্যা, আঁচনিভুক্ত জিলাসমূহৰ কৃষকৰ মাজত ছয়েল হেল্‌থ কাৰ্ড বিতৰণ, শতকৰা হিচাপত শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতা, শতকৰা হিচাপত বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ আৰু শতকৰা হিচাপত পাঠ্যক্ৰম আৰম্ভ হোৱা এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণ হাৰ।

এই **সম্পূৰ্ণতা অভিযানে** ৰাজ্যৰ ১৩খন জিলা তথা ২০টা খণ্ডক সাঙুৰি লৈছে। ইয়াৰ ভিতৰত তামুলপুৰ, বৰপেটাৰ মন্দিয়া, কাছাৰৰ লক্ষীপুৰ, দৰঙৰ পূব মঙলদৈ, ধেমাজিৰ মুৰ্কংচেলেক, ধুবুৰীৰ বীৰছিং জাৰুৱা, ডিমা হাচাওৰ গিয়াং, ডিয়ুংব্ৰা, জাতিংগা আৰু নতুন সংবৰ, গোৱালপাৰাৰ লক্ষীপুৰ, হাইলাকান্দিৰ দক্ষিণ হাইলাকান্দি, কাৰ্বি আংলঙৰ নিলিপ, ৰংবংৰে আৰু ছামেলাংছ', দক্ষিণ শালমাৰা কাছাৰৰ ফেকামাৰী, ওদালগুৰিৰ ভেৰগাঁও, পশ্চিম কাৰ্বি আংলঙৰ আম্ৰি, ছিংথং, ছ'চেং।

০০০০০

ওদালগুৰি জিলাৰ চিন্তাগাঁও নিবাসী কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক জিতেন চহৰীয়াৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। বিভিন্ন সামাজিক কাম-কাজৰ সৈতে জড়িত হৈ থকা প্ৰয়াত চহৰীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূল সমিতিৰ প্ৰাক্তন সদস্যও আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯১ বছৰ।

০০০০০

সমাপ্ত